Total No. of Printed Pages—19

# 3 SEM TDC GEEC (CBCS) GE 3 (A/B/C)

**2024**

( Nov/Dec )

## ECONOMICS

( Generic Elective )

Paper : GE–3

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : GE–3A

**( Indian Economy )**

**1.** তলত দিয়াসমূহৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা : 1×8=8

Answer the following as directed :

(a) ভাৰতবৰ্ষত গোলকীয়কৰণৰ বাবে গ্ৰহণ কৰা এটা সংস্কাৰ ব্যৱস্থাৰ নাম উল্লেখ কৰা।

Mention one reform measure undertaken in India towards globalization.

(b) 'সম্পদৰ শোষণ তত্ত্ব' আগবঢ়োৱা অৰ্থনীতিবিদগৰাকীৰ নাম হ'ল

The name of the economist who propounded the 'drain of wealth' theory is

(i) দাদাভাই নৌৰজী

Dadabhai Naoroji

(ii) মহাদেৱ গোবিন্দ ৰানাডে

Mahadev Govind Ranade

(iii) অমৰ্ত্য সেন

Amartya Sen

(iv) মহম্মদ ইউনুছ

Muhammad Yunus

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(Choose the correct answer)

(c) আপেক্ষিক দৰিদ্ৰতা কি?

What is relative poverty?



( Continued )



(d) ২০১১ চনৰ লোকপিয়লৰ তথ্য মতে, প্ৰতি বৰ্গ কিলোমিটাৰত ভাৰতবৰ্ষৰ জনবসতিৰ ঘনত্ব হ'ল

According to the Census 2011, the density of population per sq. kilometre in India is

(i) ৩৮৫/385

(ii) ৩৮২/382

(iii) ৩৭৫/375

(iv) ৪২৮/428

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(Choose the correct answer)

(e) ছদ্মবেশী নিবনুৱা কি?

What is disguised unemployment?

(f) কোন চনত MGNREGA আৰম্ভ কৰা হৈছিল?

In which year was MGNREGA started?

(i) ২০০৪/2004

(ii) ২০০৫/2005

(iii) ২০০৬/2006

(iv) ২০০১/2001

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(Choose the correct answer)



( Turn Over )

(g) ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনলৈ কোনটো খণ্ডৰ বৰঙণি আটাইতকৈ বেছি?

Which sector contributes highest to the Gross Domestic Product of India?

(i) প্ৰাথমিক খণ্ড

Primary sector

(ii) গৌণ খণ্ড

Secondary sector

(iii) তৃতীয় বা সেৱা খণ্ড

Tertiary or service sector

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(Choose the correct answer)

(h) চিংগাপুৰ অৰ্থনীতিৰ এটা প্ৰধান ৰপ্তানিজাত দ্ৰব্যৰ নাম উল্লেখ কৰা।

Mention one main exportable commodity of Singapore economy.

2. তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×4=16

Write short notes on any *four* of the following (**within 150 words** each) :

(a) ভাৰতীয় অৰ্থনীতিত ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ প্ৰভাৱ

Impact of British colonial rule on the Indian economy





(b) গোলকীয়কৰণ আৰু ভাৰতীয় অৰ্থনীতি

Globalization and Indian economy

(c) অৰ্থনৈতিক উন্নয়নত জনসংখ্যাৰ ভূমিকা

The role of population in economic development

(d) ভাৰতৰ গ্ৰাম্য নিবনুৱা সমস্যা

Rural unemployment problem in India

(e) চিংগাপুৰ অৰ্থনীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ

Main characteristics of Singapore economy

(f) মানৱ উন্নয়ন সূচক

Human Development Index

3. (a) স্বাধীনতাৰ প্ৰাক্‌কালত ভাৰতীয় অৰ্থনীতিৰ অৱস্থাৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা। 14

Explain briefly about the state of Indian economy on the eve of Independence.

*অথবা / Or*

(b) ভাৰতত ১৯৯১ চনত গ্ৰহণ কৰা অৰ্থনৈতিক সংস্কাৰ ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰা।

Discuss the economic reform measures adopted in 1991 in India.

4. (a) ভাৰতৰ জনবসতিৰ ঘনত্ব আৰু ইয়াৰ পৰিণাম সম্পৰ্কে ব্যাখ্যা কৰা। 14

Analyze about the density of population in India and its consequences.

অথবা / Or

(b) তলত দিয়াসমূহৰ ব্যাখ্যা কৰা : 7+7=14

Explain the following :

(i) ৰাষ্ট্ৰীয় জনসংখ্যা নীতি

National population policy

(ii) জনসংখ্যাৰ লাভাংশ

Demographic dividend

5. (a) ভাৰতৰ আয় অসমতাৰ কাৰণসমূহ আলোচনা কৰা। আয় অসমতা হ্ৰাসৰ বাবে কেইটামান পৰামৰ্শ আগবঢ়োৱা। 8+6=14

Discuss the causes of income inequality in India. Suggest some measures to reduce income inequalities.

অথবা / Or

(b) ভাৰতত দৰিদ্ৰতা দূৰীকৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ বিষয়ে ব্যাখ্যা কৰা। 14

Explain the various schemes undertaken to alleviate poverty in India.





6. (a) ভাৰত আৰু টাইৱানৰ অৰ্থনীতিৰ মাজত এক তুলনামূলক আলোচনা আগবঢ়োৱা। 14

Make a comparative discussion between the economy of India and Taiwan.

অথবা / Or

(b) বিশ্ব অৰ্থনীতিৰ সৈতে ভাৰতৰ অৰ্থনৈতিক সম্পৰ্কৰ ওপৰত এক চমু বিশ্লেষণ আগবঢ়োৱা।

Give a brief analysis on India's economic interaction with the world economy.

Paper : GE–3B

**( Money and Financial Market )**

**1.** তলত দিয়াসমূহৰ নির্দেশানুযায়ী উত্তৰ লিখা : 1×8=8

Answer the following as directed :

*(a)* ভাৰতৰ মুদ্ৰাৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে _____ ।

The quantity of money in India is controlled by _____.

(খালী ঠাই পূৰণ কৰা)

(Fill in the blank)

*(b)* $M_2 = M_1 +$ _____.

(খালী ঠাই পূৰণ কৰা)

(Fill in the blank)

*(c)* মুদ্ৰাৰ গুণকৰ সূত্ৰটো লিখা।

Write the formula for money multiplier.

*(d)* কল মানি মাৰ্কেট কি?

What is call money market?

*(e)* SEBI কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল?

When was SEBI established?





*(f)* প্ৰাথমিক আৰু গৌণ চিকিউৰিটি বজাৰৰ এটি পাৰ্থক্য উল্লেখ কৰা।

Write one difference between primary and secondary market of securities.

*(g)* 'বেংক ৰেট' মানে কি?

What is 'bank rate'?

*(h)* মুদ্ৰাস্ফীতিৰ সময়ত কেনেকুৱা মৌদ্ৰিক নীতি অনুসৰণ কৰা হয়?

What kind of monetary policy is followed during inflation?

**2.** চমু টোকা লিখা (যি কোনো চাৰিটা) : 4×4=16

Write short notes on (any *four*) :

*(a)* উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা

High powered money

*(b)* BSE

*(c)* NSE nifty

*(d)* বাণিজ্যিক বেংকৰ কাৰ্যাৱলী

Functions of commercial bank

*(e)* চৰকাৰী চিকিউৰিটি মাৰ্কেট

Government securities market

3. (a) মুদ্ৰাৰ কাৰ্যাৱলী বৰ্ণনা কৰা। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰা যোগান পদ্ধতিৰ বিষয়ে আলোচনা কৰা। 6+6=12

Discuss the functions of money. Discuss the RBI approach to money supply.

অথবা / Or

(b) টোকা লিখা : 6+6=12

Write notes on :

(i) মুদ্ৰা যোগানৰ নিৰ্ণায়ক

Determinant of money supply

(ii) মুদ্ৰা গুণক

Money multiplier

4. (a) ভাৰতৰ বিত্তীয় সংস্কাৰৰ বিষয়ে আলোচনা কৰা। 11

Discuss the financial sector reforms undertaken in India.

অথবা / Or

(b) অনাবেংকীয় বিত্তীয় অনুষ্ঠান মানে কি? অনাবেংকীয় বিত্তীয় অনুষ্ঠানৰ কাৰ্যাৱলীৰ বিষয়ে ব্যাখ্যা কৰা। 3+8=11

What are non-banking financial institutions? Explain the functions of non-banking financial institutions.





5. (a) মুদ্ৰা বজাৰ আৰু মূলধনৰ বজাৰৰ গঠন আলোচনা কৰা। 6+5=11

Discuss the structure of money market and capital market.

অথবা / Or

(b) ভাৰতৰ দৰে উন্নয়নশীল দেশত বিত্তীয় অনুষ্ঠানৰ ভূমিকা আলোচনা কৰা। 11

Discuss the role of financial institutions in a developing country like India.

6. (a) কেন্দ্ৰীয় বেংকে কেনেকৈ অৰ্থনীতিলৈ সুস্থিৰতা আনে, ব্যাখ্যা কৰা। 11

How does Central Bank bring stability to the economy? Explain.

অথবা / Or

(b) মৌদ্ৰিক নীতিৰ উদ্দেশ্যসমূহ আলোচনা কৰা। ভাৰতৰ শেহতীয়া মৌদ্ৰিক নীতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা। 6+5=11

Discuss the objectives of monetary policy. Mention the salient features of the latest monetary policy of India.

7. *(a)* সুদৰ হাৰৰ ম্যাদী-গাঁথনিৰ যি কোনো এটা তত্ত্ব আলোচনা কৰা। 11

Discuss any one theory of term structure of interest rate.

অথবা / *Or*

*(b)* *(i)* সুদৰ হাৰৰ পাৰ্থক্যৰ বিভিন্ন উৎসসমূহৰ বিষয়ে লিখা। 6

Write about the various sources of interest rate differential.

*(ii)* সুদৰ হাৰৰ নিৰ্ণায়কসমূহৰ বিষয়ে আলোচনা কৰা। 5

Explain the determinants of interest rate.





Paper : GE–3C

**( Environmental Economics )**

1. তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া : 1×8=8

Answer the following as directed :

*(a)* জীৱ আৰু পৰিবেশৰ মাজৰ আন্তঃসম্পৰ্কক কোৱা হয়

Interdependence between living organisms and environment is called

*(i)* পৰিস্থিতিতান্ত্ৰিক বিজ্ঞান

ecology

*(ii)* অৰ্থনীতি

economy

*(iii)* পৰিবেশ

environment

*(iv)* ওপৰৰ এটাও নহয়

None of the above

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(Choose the correct answer)

(b) ঋণাত্মক বাহ্যিকতাৰ এটা উদাহৰণ দিয়া।

Give one example of negative externality.

(c) মুক্ত-আৰোহী সমস্যাটো তলৰ কোনটো দ্ৰব্যৰ লগত জড়িত?

Free-rider problem is associated with which of the following goods?

(i) ব্যক্তিগত দ্ৰব্য

Private good

(ii) ৰাজহুৱা দ্ৰব্য

Public good

(iii) ব্যক্তিগত আৰু ৰাজহুৱা দ্ৰব্য দুয়োটা

Both private and public goods

(iv) ওপৰৰ এটাও নহয়

None of the above

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(Choose the correct answer)

(d) গুণগত দ্ৰব্যৰ সংজ্ঞা দিয়া।

Define merit goods.





(e) সামাজিক আৰু পৰিবেশগতভাৱে অনুকূল উৎপাদনৰ স্তৰ বজাৰৰ ভাৰসাম্য উৎপাদনৰ সমান।

(শুদ্ধ নে অশুদ্ধ লিখা)

The socially and environmentally optimal level of output is equal to the market equilibrium output.

(Write True or False)

(f) মণ্ট্ৰিল প্ৰ'ট'কল তলৰ কোনটোৰ লগত জড়িত?

Montreal Protocol is associated with which of the following?

(i) গোলকীয় উষ্ণতা বৃদ্ধি

Global warming

(ii) অ'যন স্তৰ ক্ষয়

Ozone layer depletion

(iii) জৈৱ বৈচিত্ৰ্যৰ ক্ষতি

Biodiversity loss

(iv) ওপৰৰ এটাও নহয়

None of the above

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(Choose the correct answer)

*(g)* বহনক্ষমতাৰ এটা পৰিমাপ লিখা।

Mention one measure of sustainability.

*(h)* বহনক্ষম উন্নয়নৰ বাবে বিশ্বব্যাপী হস্তক্ষেপৰ এটা উদাহৰণ দিয়া।

Give one example of global intervention for sustainable development.

**2.** তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 5×4=20

Write short notes on any *four* of the following (**within 150 words** each) :

*(a)* পৰিবেশ-অৰ্থনীতিৰ আন্তঃসম্পৰ্ক

Environment-economy interlinkage

*(b)* বাহ্যিকতা আৰু ইয়াৰ প্ৰকাৰ

Externalities and its types

*(c)* বজাৰ বিফলতাৰ কাৰণসমূহ

Causes of market failure

*(d)* গোটা আবৰ্জনা নিষ্কাশন

Solid waste management

*(e)* পৰিবেশৰ অ-বজাৰ মূল্য

Non-market values of environment





তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) :

Answer the following questions (**within 500 words** each) :

**3.** *(a)* পৰিবেশ অৰ্থনীতিৰ সংজ্ঞা দিয়া। সম্পদ অৰ্থনীতি আৰু পৰিবেশ অৰ্থনীতিৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা। এক বিষয় হিচাপে পৰিবেশ অৰ্থনীতিৰ বিৱৰ্তন আলোচনা কৰা। 2+6+5=13

Define environmental economics. Explain the relationship between environmental economics and resource economics. Discuss the evolution of environmental economics as a subject.

*নাইবা / Or*

*(b)* ক'জ তত্ত্বৰ অভিধাৰণাসমূহ কি কি? সম্পত্তিৰ অধিকাৰ প্ৰদূষণকাৰী প্ৰতিষ্ঠানৰ হাতত থকা অৱস্থাটো দুটা পক্ষৰ মাজত দৰদামে শেষত কেনেদৰে এটা দক্ষ ফলাফলৰ সৃষ্টি কৰিব পাৰে, এটা চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা। 4+9=13

What are the assumptions of Coase theorem? Explain, with a diagram, how bargaining between two parties will ultimately generate an efficient outcome, even if property rights is assigned to the polluting firm.

4. (a) নিৰ্গমন মাচুল আৰু ব্যৱসায়যোগ্য প্ৰদূষণৰ অনুমতিক পৰিবেশ সমস্যা সমাধানৰ দুটা উৎসাহভিত্তিক পদ্ধতি হিচাপে উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা। সাম্প্ৰতিক সময়ত কোনটো পদ্ধতি অধিক জনপ্ৰিয়? 6+6+1=13

Explain, with diagrams, the emission fee and tradable pollution permit as the two incentive-based solutions to the environmental problem. Which method is more familiar in the contemporary world?

*নাইবা / Or*

(b) পৰিবেশৰ গোলকীয় সমস্যাসমূহ উপযুক্ত উদাহৰণসহ আলোচনা কৰা। গোলকীয় উষ্ণতা বৃদ্ধিৰ তিনিটা কাৰণ উল্লেখ কৰা। 10+3=13

Discuss the global environmental problems with suitable examples. Mention three causes of global warming.

5. (a) পৰিবেশীয় সম্পদৰ মূল্য নিৰূপণৰ ভ্ৰমণ ব্যয় পদ্ধতিটো চমুকৈ আলোচনা কৰা। এই পদ্ধতিৰ সুবিধা আৰু অসুবিধাসমূহ উল্লেখ কৰা। 9+4=13

Discuss briefly the travel cost method of valuation of environmental resources. Mention its advantages and disadvantages.





*নাইবা / Or*

(b) পৰিবেশীয় মূল্যায়নৰ প্ৰয়োজনীয়তা কি? পৰিবেশীয় মূল্যায়নৰ পদ্ধতিসমূহ চমুকৈ আলোচনা কৰা। 4+9=13

What is the need for environmental valuation? Briefly discuss the methods of environmental valuation.

6. (a) বহনক্ষম উন্নয়ন মানে কি? বহনক্ষম উন্নয়নৰ নিৰ্দেশকসমূহ কি কি? দুৰ্বল আৰু শক্তিশালী বহনক্ষমতা ধাৰণা দুটাৰ ব্যাখ্যা আগবঢ়োৱা। 3+4+6=13

What is sustainable development? What are its indicators? Discuss the notions of strong and weak sustainability.

*নাইবা / Or*

(b) উন্নয়নশীল দেশসমূহৰ পৰিবেশ অৱক্ষয় সমস্যাৰ বিষয়ে আলোচনা কৰা। বহনক্ষম উন্নয়ন আৰু দ্ৰুত অৰ্থনৈতিক উন্নয়নৰ লক্ষ্যক সামঞ্জস্যপূৰ্ণ কৰি তুলিব পাৰিনে? ব্যাখ্যা কৰা। 8+5=13

Explain the problem of environmental degradation in developing countries. Can the objective of sustainable development and rapid economic development be made compatible? Explain.

★★★

3 SEM TDC GEEC (CBCS)
GE 3 (A/B/C)